**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 05-01-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

ooooo

১।	মঙলদৈ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩১ হাজাৰ ১৭ গৰাকী মহিলাক উদ্যমিতা অভিযানৰ চেক বিতৰণ।

২।	সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি। ৰাজ্যজুৰি বিজেপিৰ দেৱাল লিখন কাৰ্যসূচী আৰম্ভ।

৩।	গুৱাহাটীৰ ৰাজীৱ ভৱনত বিধানসভা নিৰ্বাচনত অংশগ্ৰহণৰ বাবে কংগ্ৰেছ দলৰ ৱেবছাইটযোগে আবেদন পত্ৰ মুকলি।

৪।	অসম গ্ৰন্থ মেলাত আজি আকাশবাণী গুৱাহাটীৰ বাৰে ৰহণীয়া সাংস্কৃতিক অনুষ্ঠান।

আৰু

৫।	মাজুলীৰ গড়মূৰত আজিৰে পৰা আৰু স্বদেশী মেলা ২০২৬।

ooooo

মঙলদৈ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩১ হাজাৰ ১৭ গৰাকী মহিলাক উদ্যমিতা অভিযানৰ চেক বিতৰণ কাৰ্যসূচী আজি অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত অংশ লৈ মহিলাসকলৰ সবলীকৰণৰ কাৰণে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। মঙলদৈৰ পুনিয়াত দৰং চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণস্থলীত আয়োজন কৰা এই কাৰ্যসূচীত দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস আৰু ভালেসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যৰ বিভিন্ন ঠাইত চলি থকা উচ্ছেদ অভিযান অব্যাহত থাকিব।

বাইট (চি এম)

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰুপথাৰত ৭২ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৭৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। ড° শৰ্মাই সৰুপথাৰত ১২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প উদ্বোধনৰ লগতে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন, বৰপথাৰ শিশু উদ্যান আৰু গেলাবিল আৰু দুবৰণি পথ উদ্বোধন কৰে। তেওঁ লগতে অসমমালাৰ অধীনত ২৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বৰপথাৰ-গোলাঘাট সংযোগী পথৰ প্ৰথম পৰ্যায় আৰু মিছামাৰী-বিলপথাৰ তথা অভংপথাৰ-শ্যামগাঁও মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। আজি দিনৰ ১ বজাত লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকে।

০০০০০

আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যজুৰি আজি আৰম্ভ হোৱা বিজেপিৰ দেৱাল লিখন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই খানাপাৰাত শুভাৰম্ভ কৰে। দেৱাল লিখন সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেৱালৰ গৰাকীৰ অনুমতি সাপেক্ষেহে দলৰ চিহ্ন অংকণ কৰা হ'ব। ইয়াৰ ফলত গণ-সংযোগৰ মাধ্যমেৰে প্ৰচাৰ অভিযান চলাব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে জালুকবাৰী সমষ্টিৰ বৰাগাঁৱত দলীয় বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকলৰ উপস্থিতিত এই দেৱাল লিখন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত সাংসদগৰাকীয়ে দলৰ প্ৰতীক চিহ্ন পদুম ফুলৰ ছবি অংকন কৰে।

ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দলীয় প্ৰতীক চিহ্ন দেৱালত অংকণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিভিন্ন স্তৰৰ দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰি কয়, যে বিজেপি দলৰ প্ৰতি গৰাকী কৰ্মী সেৱা আৰু সমৰ্পণৰ প্ৰতি দায়বদ্ধ।

বাইট (সোণোৱাল)

শোণিতপুৰত বিধায়ক পদ্ম হাজৰিকা আৰু গণেশ লিম্বুৰ নেতৃত্বত এই কাৰ্যসূচী আৰম্ভ হয়। ন-দুৱাৰত বিধায়ক পদ্ম হাজৰিকাই বিজেপিৰ মণ্ডল মুখ্য কাৰ্যালয়ত উপস্থিত থাকি দলীয় কৰ্মীসকলৰ সৈতে দেৱাল লিখন কাৰ্যসূচীত অংশ লয়। বৰছলা সমষ্টিৰ ঠেলামৰাত বিধায়ক গণেশ লিম্বুৱে নিজ হাতে দেৱালত দলীয় প্ৰতীক পদুম ফুল অংকন কৰি অভিযানৰ সূচনা কৰে।

বিজেপি দলে ঢকুৱাখনা জিলা কাৰ্য্যালয়ৰ লগতে ঢকুৱাখনা মণ্ডলৰ অন্তৰ্গত শিঙিয়া পঞ্চায়তত সুৰক্ষিত অসমৰ সংকল্পৰে দেৱাল লিখন কাৰ্য্যসূচী ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলেৰ লগতে জিলা সভাপতি স্বৰূপ কোঁৱৰৰ প্ৰমুখ্যে দলটোৰ কেইবাজনো বিষয়-ববীয়া তথা কৰ্মী উপস্থিত থাকে।

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত বিজেপিৰ পাথাৰকান্দি মণ্ডলত বিধায়ক কৃষ্ণেন্দু পালে দলীয় প্ৰতীক চিহ্ন অংকণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিভিন্ন স্তৰৰ দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

ooooo

রাজ্যত সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজীৱ ভৱনত কংগ্ৰেছ দলৰ তৎপৰতা আৰম্ভ হৈছে। ২০২৬ চনৰ নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে দলটোৱে আবেদন পত্ৰ ৱেবছাইটযোগে মুকলি কৰি দিছে। WWW.APCC.ASSAM.ORG ৱেবছাইটযোগে প্ৰায় ৫ শতাধিক প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে আবেদন সংগ্ৰহ কৰিছে। ইয়াৰে ৫গৰাকী আবেদনকাৰীয়ে আজি ৰাজীৱ ভৱনত আনুষ্ঠানিকভাৱে আবেদন দাখিল কৰিছে। প্ৰাৰ্থীসকলে অসম প্ৰদেশ কংগ্ৰেছ কমিটীলৈ সাহায্য হিচাপে ডিমাণ্ড ড্ৰাফ্টযোগে ৫০ হাজাৰকৈ টকা জমা দিছে। আবেদন পত্ৰ জমা দিয়া প্ৰাৰ্থীসকলৰ ভিতৰত টিংখং সমষ্টিৰ বাবে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাংগঠনিক সাধাৰণ সম্পাদ বিপুল গগৈ, ডিগবৈ সমষ্টিৰ বাবে গুণকান্ত গগৈ, জোনাই সমষ্টিৰ বাবে ৰঞ্জিতা পেগু, ধুবুৰী সমষ্টিৰ বাবে আবু তাহেৰ আলী বেপাৰী আৰু গোৱালপাৰা পূৱ সমষ্টিৰ বাবে আমানুল ইছলাম আছে। আবেদন পত্ৰ জমা দিয়াৰ প্ৰথম দিন হিচাপে পাঁচখন আবেদন ইতিমধ্যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কোষাধ্যক্ষ হেম হৰি পেগুৱে প্ৰাপ্তি স্বীকাৰ কৰিছে। অহা ২০ জানুৱাৰীলৈকে আবেদন পত্ৰ জমা দিয়াৰ দিন ধাৰ্য্য কৰা হৈছে।

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাত আজি দিনৰ আঢ়ৈ বজাত **অসমীয়া নাট্য আন্দোলন ঃ পৰম্পৰা আৰু বিৱৰ্তন** শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হয়। বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক দুলাল ৰয়ে এই আলোচনা সত্ৰ উদ্বোধন কৰে। নাট্যকাৰ তথা নাট পৰিচালক জিতেন শৰ্মাই পৰিচালনা কৰা এই আলোচনা সত্ৰত নাট্যকাৰ কৰুণা ডেকা, নাট পৰিচালক মাণিক আহমেদ, লেখক-নাট সমালোচক সঞ্জীৱ কুমাৰ শৰ্মা, লেখক-অধ্যাপক ড০ মৃণালজ্যোতি গোস্বামী আৰু লেখক তথা শিক্ষণ মহাবিদ্যালয় চিৰাঙৰ অধ্যক্ষ ড০ ছৈয়দা নাছিফা ইছলাম ৰাজবংশী আলোচক অতিথি হিচাপে উপস্থিত থাকে। সন্ধিয়া ৭ বজাৰ পৰা হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ শিশু শিল্পী, চেমনীয়া শাখা, যুৱ বাণী তথা সাধাৰণ শাখাৰ কণ্ঠশিল্পী, ঘোষক, ঘোষিকা, বাতৰি পৰিৱেশকসকলে বাৰেৰহণীয়া অনুষ্ঠান পৰিৱেশন কৰিব। গ্ৰন্থমেলাৰ বাকৰিত আজি সন্ধিয়া ওড়িয়া সাহিত্যৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথীৰ সৈতে অন্তৰংগ আলাপো অনুষ্ঠিত হ'ব।

ooooo

মাজুলী জিলাৰ গড়মূৰত আজিৰে পৰা জিলা উদ্যম সমাগম আৰু স্বদেশী মেলা ২০২৬ অনুষ্ঠিত হৈছে। অহা ৯ জানুৱাৰীলৈ মুকলি থাকিবলগীয়া এই মেলা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ সহযোগত অসম ক্ষুদ্ৰ উদ্যোগ বিকাশ লিমিটেডৰ সৌজন্যত অনুষ্ঠিত হৈছে। আজি দিনৰ ১ বজাত বিধায়ক ভূৱন গামে মেলাৰ উদ্বোধন কৰে। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, মাজুলীৰ সহকাৰী প্ৰৱন্ধক জনাৰ্দন দাসে আঁত ধৰা অনুষ্ঠানত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰৱন্ধক ৰাজকুমাৰ বড়ি, জিলা পৰিষদৰ সভানেত্ৰী নৱনিতা দাস আদিকে ধৰি বিভিন্ন উদ্যোগৰ স্বত্বাধিকাৰী, থলুৱা উদ্যোগী আৰু ভালেসংখ্যক লোক উপস্থিত থাকে। মেলাখন উদ্বোধন কৰি বিধায়ক আৰু জিলা আয়ুক্তই এনে মেলাসমূহৰ জৰিয়তে থলুৱা উদ্যোগীসকল লাভান্বিত হোৱাৰ লগতে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ সুযোগ লাভ কৰিব বুলি মন্তব্য কৰে।

মেলাত মুঠ ৫০খন বিপণীয়ে অংশগ্ৰহণ কৰিছে। পুৱা চাৰে ৯ বজাৰ পৰা নিশা ৮ বজালৈ মেলাথলী খোলা থাকিব বুলি আমাৰ মাজুলীৰ সংবাদদাতাই জনাইছে।

০০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত অহা দেওবাৰে সংহত ন্যায়িক আদালত ভৱনৰ আধাৰশিলা স্থাপন কৰা হ'ব। এই অনুষ্ঠানত দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্বল ভূঞা, ন্যায়াধীশ সন্দীপ মেহতা, ন্যায়াধীশ এন ক'টিশ্বৰ সিং আৰু ন্যায়াধীশ বিজয় বিষ্ণয়, আইন আৰু ন্যায় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত হিচাপে স্বপ্নীল পালে আজি কাৰ্য্যভাৰ গ্ৰহণ কৰে। ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া শ্ৰীপালে তিনিচুকীয়া জিলাৰ আয়ুক্ত হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰৰ শেহতীয়া নিৰ্দেশনা অনুসৰি, কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমিত চট্টাৱনক তিনিচুকীয়ালৈ বদলি কৰি তিনিচুকীয়াত কৰ্মৰত পালক কামৰূপ মহানগৰ জিলাৰ দায়িত্ব দিয়া হৈছে।

০০০০০

আজি ৰাষ্ট্ৰীয় পক্ষী দিৱস। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জলাশয়সমূহ সম্প্ৰতি পৰিভ্ৰমী পক্ষীৰে ভৰি উঠা পৰিলক্ষিত হৈছে। শীতৰ আগমনৰ লগে লগে ৰাছিয়া, নেডাৰলেণ্ড, ইউৰোপৰ উপৰি হিমালয়ৰ পাদদেশৰ পৰা অহা পৰিভ্ৰমী পক্ষীসমূহে ৰাষ্ট্ৰীয় উদ্যানখন মনোমোহা কৰি তুলিছে। বিগত দুবছৰত কাজিৰঙাত স্প'ন বিল ডাক, পেইণ্টেড ষ্টকৰ দৰে ব্যতিক্ৰমী পক্ষীৰ আগমন পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে উদ্যানখনত লাহে লাহে বাঘৰ সংখ্যাও বৃদ্ধি হোৱা বুলি জানিব পৰা গৈছে। কঁহৰাৰ মিহিমুখ অঞ্চলত সোণালী বাঘৰ মুক্ত বিচৰণ প্ৰকৃতিপ্ৰেমীৰ কেমেৰাত আবদ্ধ হৈছে।

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত  অহা ২২ জানুৱাৰীত চাৰিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটী এছীয় চলচ্চিত্ৰ মহোৎসৱৰ আয়োজিত হ'ব। উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক জগতখনক উজলাই তোলাৰ লক্ষ্য আগত ৰাখি এইবেলি এই মহোৎসৱ দ্বিতীয় বাৰৰ বাবে আয়োজন কৰা হৈছে। এই মহোৎসৱত প্ৰদৰ্শিত হ'বলগীয়া চলচ্চিত্ৰসমূহৰ তালিকা আজি ঘোষণা কৰা হয়। মহোৎসৱৰ উদ্বোধনী চলচ্চিত্ৰ হিচাপে শ্বোকিৰ খুলিক'ভে পৰিচালনা কৰা উজবেকিস্তানী চলচ্চিত্ৰ **চানডে** প্ৰদৰ্শন কৰা হ'ব। আলৰেজা ঘাছেমি আৰু ৰাহা আমিৰ ফজলীৰ যুটীয়া পৰিচালনাৰ ইৰাণী চলচ্চিত্ৰ **ইন দ্য লেণ্ড অব ব্ৰাডাৰ্ছৰ** প্ৰদৰ্শনীৰে এই মহোৎসৱৰ সামৰণি পৰিব। এই অনুষ্ঠানত কিম্বদন্তী ভাৰতীয় চলচ্চিত্ৰ পৰিচালক গিৰিশ কাছাৰাৱল্লিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০

সমাগত গণৰাজ্য দিৱস উদযাপনৰ বাবে শ্ৰীভূমি জিলাত আজি বিশেষ প্ৰস্তুতি সভা অনুষ্ঠিত হয়। শ্ৰীভূমি জিলাৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিৱেদীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সমাগত গণৰাজ্য দিৱসৰ মুখ্য অনুষ্ঠান শ্ৰীভূমিৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব বুলি সিদ্ধান্ত লোৱা হয়। সভাৰ আৰম্ভণিতে সহকাৰী আয়ুক্ত ৰূপক মজুমদাৰে বিগত বছৰৰ গণতন্ত্ৰ দিৱস উদযাপনৰ তালিকা পাঠ কৰে।

সভাত গৃহীত নিয়মীয়া সিদ্ধান্তসমূহৰ উপৰি জিলা আয়ুক্তই এই বছৰ গণৰাজ্য দিৱস যথাযোগ্য মৰ্যাদাৰে উদযাপন কৰিবলৈ আৰু ইয়াক সফল কৰি তুলিবলৈ সকলোৰে স্বতঃস্ফূৰ্ত অংশগ্ৰহণ আৰু সহযোগিতা কামনা কৰে। ইয়াৰ লগতে গণৰাজ্য দিৱস উপলক্ষে শ্ৰীভূমি নগৰত পৰিস্কাৰ অভিযান চলাই নগৰখনৰ পৰিস্কাৰ-পৰিচ্ছন্নতা নিশ্চিত কৰিবলৈ পৌৰসভাৰ কাৰ্যবাহী অধিকাৰীক নিৰ্দেশ দিয়া হয়। একেদৰে জনস্বাস্থ্য কাৰিকৰী বিভাগক খোৱাপানীৰ ব্যৱস্থা আৰু স্বাস্থ্য বিভাগত চিকিৎসকৰ দলৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়া হয়। সভাত অন্যান্য কাৰ্যসূচীৰ ভিতৰত পেৰেড আৰু মাৰ্শ্ব পাষ্ট, সাংস্কৃতিক অনুষ্ঠান, কৃতিমানসকলক সম্বৰ্ধনা চৰকাৰী অনুদান বিতৰণ, ৰক্তদান শিবিৰ, বি এছ এফৰ দ্বাৰা অস্ত্ৰ-শস্ত্ৰ প্ৰদৰ্শন, ছাত্ৰ-ছাত্ৰীৰ মাজত অংকন আৰু ৰচনা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিবলৈ আলোচনা কৰা হয়।

ooooo

অগপৰ বজালী জিলা সমিতিৰ কাৰ্যালয়ত আজি নতুন বছৰ উপলক্ষে সাংবাদিকৰ সৈতে হোৱা এটা মত-বিনিময় অনুষ্ঠানত সমাগত নিৰ্বাচনত বজালী সমষ্টিত অগপই প্ৰাৰ্থিত্ব বিচৰাৰ কথা প্ৰকাশ কৰে। ইংৰাজী নৱবৰ্ষত বজালীৰ সাংবাদিকসকলক শুভেচ্ছা জনোৱাৰ বাবে অগপৰ বজালী বিধানসভা সমষ্টিৰ সমিতিৰ সভাপতি জিণ্টু চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত এই মত-বিনিময় অনুষ্ঠানত অগপৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ড০ ৰঞ্জিত ডেকাই মিত্ৰজোঁটৰ ধৰ্ম অনুসৰি এই সমষ্টিটো অগপক এৰি দিয়াৰ পোষকতা কৰে। তেওঁ কয় যে অগপ-বিজেপি লগ হৈ অসমৰ উন্নতিৰ হকে কাম কৰি আহিছে আৰু এই সমন্বয়েৰে অসমত ২০২৬ত পুনৰ বিজেপি-অগপই চৰকাৰ গঠন কৰিব বুলি তেওঁ মন্তব্য কৰে।

ooooo

ৰাজ্যত অব্যাহত থকা প্ৰচণ্ড শীতৰ বাবে শিক্ষাৰ্থীসকলৰ সুবিধা হোৱাকৈ বিদ্যালয়সমূহৰ সময়সীমা পৰিৱৰ্তন কৰাৰ বাবে অসম হাইস্কুল শিক্ষক সংস্থাই আজি বজালী জিলাৰ আয়ুক্ত মৃদুল কুমাৰ দাসলৈ এখন আবেদন পত্ৰ প্ৰদান কৰে। শিক্ষক সংস্থাৰ বজালী জিলা সমিতিৰ হৈ সমিতিৰ সভাপতি কনক চন্দ্ৰ দাস আৰু সম্পাদক চাণক্য দাসে আবেদনখনত অতিপাত শীতৰ বাবে যোৱা কিছুদিন ধৰি শিক্ষাৰ্থীৰ উপস্থিতি হ্ৰাস হোৱা আৰু উপস্থিত থকা শিক্ষাৰ্থীসকলকো শ্ৰেণীকোঠাত ৰাখিব পৰা অনুকূল পৰিবেশ নোহোৱাৰ কথা উল্লেখ কৰে। কেইবাখনো শিক্ষানুষ্ঠানত জুইৰ উম দি শিক্ষাৰ্থীসকলক চৌপাশে বহুৱাই লৈ পাঠদান কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ কথাও আবেদনখনত উল্লেখ কৰা হয়। বিদ্যালয়সমূহৰ প্ৰায়ভাগ শিক্ষাৰ্থীয়ে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা বাবে বেছিভাগৰে ছুৱেটাৰ-জোতা আদি নোহোৱা বুলিলিখিত আবেদনখনত উল্লেখ কৰা হয়।

ooooo

কৰ্কটকে ধৰি বিভিন্ন জটিল ৰোগত আক্ৰান্ত দৰং জিলাৰ মুঠ ৩৫২ গৰাকী ৰোগীৰ মাজত তেওঁলোকৰ চিকিৎসা ব্যয়ত কিছু সকাহ দিয়াৰ উদ্দেশ্যে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আজি মুখ্যমন্ত্ৰীৰ বিশেষ চিকিৎসা সাহায্য আঁচনি **সুহৃদ**ৰ অধীনত মুঠ ২ লাখ ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। মঙলদৈৰ সাংসদ কাৰ্য্যালয়ত অনুষ্ঠিত কাৰ্য্যসূচীত ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ শান্তিয়াছ কুজুৰ, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

সমাপ্ত